# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
000000000

**Date :** 21-02-2025
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::::**

১। সাংসদ ৰকিবুল হুছেইনৰ আক্ৰমণৰ অভিযোগত আৰক্ষীৰ দহজন লোকক চিনাক্ত।

২। এই ঘটনাক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিত আজি অসম বিধানসভাৰ কাৰ্যক্ৰমণিকা দুবাৰকৈ স্থগিত।

৩। **ঝুমইৰ বিনন্দিনী** অনুষ্ঠানৰ বাবে সৰুসজাইত আজিৰে পৰা আখৰা।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস পালন। ***আৰু***

৫। আই চি চি চেম্পিয়নছ ট্ৰফীৰ গ্ৰুপ বিৰ এখন খেলত দক্ষিণ আফ্ৰিকাৰ আফগানিস্তানক জয়ৰ বাবে ৩১৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০

কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক দুৰ্বৃত্তই আক্ৰমণ কৰাৰ ঘটনাক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি অসম বিধানসভাৰ কাৰ্যক্ৰমণিকা দুবাৰকৈ স্থগিত ৰাখিবলগীয়া হয়। পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ দায়িত্বত থকা মন্ত্ৰী কেশৱ মহন্তক বিভাগটোৰ ২০২৪-২৫ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰীৰ প্ৰস্তাৱ উত্থাপনৰ বাবে নিৰ্দেশ দিয়ে। কিন্তু বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কংগ্ৰেছৰ সাংসদগৰাকীক আক্ৰমণৰ বিষয়টো উত্থাপন কৰি এই সন্দৰ্ভত আলোচনাৰ বাবে সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এই ঘটনাৰ বিষয়ত পৰৱৰ্তী সময়ত আলোচনা কৰা হ'ব বুলি উল্লেখ কৰি সদনৰ কাম-কাজ চলাই নিয়াত সহযোগিতা আগবঢ়াবলৈ বিৰোধী সদস্যসকলক আহ্বান জনায়। বিৰোধী সদস্যসকলে এই ঘটনাৰ সৈতে ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিষয় জড়িত হৈ আছে বুলি উল্লেখ কৰি হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। পাছত অধ্যক্ষই দহ মিনিটৰ বাবে সদনৰ কাম-কাজ স্থগিত ৰাখে। সদন পুনৰ মিলিত হোৱাৰ সময়ত ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনক আক্ৰমণৰ বিষয়টো পুনৰ সদনত উত্থাপন কৰাত কংগ্ৰেছৰ সদস্যসকলে ইয়াৰ প্ৰতি সমৰ্থন আগবঢ়ায়। বিৰোধী সদস্যসকলে হুলস্থূলীয়া পৰিস্থিতি অব্যাহত ৰখাৰ পৰিপ্ৰেক্ষিতত অধ্যক্ষই পুনৰ পাঁচ মিনিটৰ বাবে সদনৰ কাৰ্যক্ৰমণিকা স্থগিত ৰাখে।

দ্বিতীয়বাৰৰ বাবে সদন মিলিত হোৱাৰ সময়ত মন্ত্ৰী কেশৱ মহন্তই ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ কৰ্তন প্ৰস্তাৱ উত্থাপন কৰে যদিও পৰিস্থিতি উন্নত নোহোৱাত সেই সময়ত এই বিষয়ে আলোচনা কৰিব পৰা নহ'ল। কংগ্ৰেছৰ সদস্যসকলে এগৰাকী জনপ্ৰতিনিধিক দিনদুপৰতে আক্ৰমণৰ ঘটনাক উদ্বেগজনক বুলি উল্লেখ কৰি বিষয়টোলৈ আলোচনা কৰাৰ দাবীত অটল হৈ থাকে। অধ্যক্ষই গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা সম্প্ৰতি ৰাজ্যৰ বাহিৰত থকাৰ বাবে এই বিষয়টোক লৈ পৰৱৰ্তী সময়ত আলোচনাৰ প্ৰস্তাৱ আগবঢ়ায়।

শাসক-বিৰোধীৰ মাজত এই বিষয়টোলৈ বাক-বিতণ্ডা চলি থকাৰ সময়তে মন্ত্ৰী পীযুষ হাজৰিকাই সাংসদ ৰকিবুল হুছেইনৰ আক্ৰমণৰ অভিযোগত আৰক্ষীয়ে দহজন লোকক চিনাক্ত কৰাৰ কথা উল্লেখ কৰে।

***(বাইট ঃ পীযুষ হাজৰিকা)***

সদনত আজি মুখ্যমন্ত্ৰীৰ অনুপস্থিতিত মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে মুখ্যমন্ত্ৰীৰ হৈ দিয়া এটা বিবৃতিত কয়, যে ৰূপহীত সাংসদ ৰকিবুল হুছেইনক আক্ৰমণৰ বিষয়টোৰ চৰকাৰে তদন্ত কৰিব আৰু দোষীক আইন অনুযায়ী শাস্তি বিহা হ'ব।

এই ঘটনাক কেন্দ্ৰ কৰি আজি ৰাজ্যখনৰ বিভিন্ন স্থানত আজি কংগ্ৰেছ কৰ্মীসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰাৰ বাতৰি পোৱা গৈছে। ইপিনে, আক্ৰমণৰ বলি হোৱা কংগ্ৰেছৰ সাংসদ ৰকিবুল হুছেইনে আজি দুপৰীয়া নগাঁও সদৰ আৰক্ষী থানাত এই ঘটনা সংক্ৰান্তত এটা গোচৰ ৰুজু কৰে। গোচৰত ২২জন লোকৰ নাম উল্লেখ কৰা হৈছে।

**(বাইট ঃ ৰকিবুল হুছেইন)**

০০০০

অসমৰ চাহৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদযাপনৰ উদ্দেশ্যে অহা ২৪ ফেব্ৰুৱাৰীত আয়োজন কৰা **ঝুমইৰ বিনন্দিনী** অনুষ্ঠানৰ বাবে সৰুসজাইত আজিৰে পৰা কেন্দ্ৰীয়ভাৱে আখৰা অনুষ্ঠিত হৈছে। ৰাজ্যৰ বিভিন্ন জিলাৰ ৯ হাজাৰৰো অধিক চাহ জনগোষ্ঠীৰ শিল্পীয়ে এই অনুষ্ঠানত ভাগ লৈছে। এই অনুষ্ঠানৰ বাবে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, সাংস্কৃতিক পৰিক্ৰমা সঞ্চালকালয় আৰু সৰুসজাইত প্ৰৱেশ পত্ৰ দি থকা হৈছে। আগ্ৰহীসকলে এই তিনিও স্থানৰ পৰা প্ৰৱেশ পত্ৰসমূহ সংগ্ৰহ কৰিব পাৰিব। ২৩ ফেব্ৰুৱাৰীত ঝুমুৰৰ অন্তিম আখৰা অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সেইদিনা প্ৰৱেশপত্ৰ নোহোৱাকৈ এই আখৰা উপভোগ কৰিবৰ বাবে জনসাধাৰণক আহ্বান জনাইছে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি বিধানসভা সমষ্টিৰ মণ্ডল সমিতিৰ বিষয়ববীয়া, শক্তিকেন্দ্ৰৰ আহ্বায়ক আৰু বুথ পৰ্যায়ৰ সভাপতি-সম্পাদকসকলৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে এখন বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে সাংগঠনিক দিশ সন্দৰ্ভত আলোচনা কৰাৰ উপৰি অহা ২৩ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত কাৰ্যসূচী সকলো বুথতে প্ৰচাৰৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনায়। ডাঃ পেগুৱে আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় সন্দৰ্ভতো ধেমাজিৰ জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ বৈঠকত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লয়। জিলাখনত ইতিমধ্যে ভোটগ্ৰহণ কেন্দ্ৰ পৰ্যায়ৰ সমিতিসমূহে এই আঁচনিৰ বাবে ৯০ হাজাৰ ৫২৩ টা পৰিয়াল চিনাক্ত কৰিছে।

০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত আয়োজিত মহাকুম্ভ উপলক্ষে আজি ত্ৰিবেণী সংগমত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই পৰিয়ালৰ সৈতে পবিত্ৰ স্নান কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত ডং শৰ্মাই কয় যে ত্ৰিবেণী সংগম কেৱল নদীৰ সংগম নহয়, ই হৈছে কোটি কোটি সনাতনীৰ বিশ্বাস, আধ্যাত্মিকতা আৰু ঐতিহ্যৰ এটা সমন্বয়। এই পবিত্ৰ স্থানত তেওঁ ৰাজ্যবাসীৰ সুখ, সমৃদ্ধি আৰু শান্তি কামনা কৰি প্ৰাৰ্থনা জনাবলৈ পাই ধন্য হৈছে বুলি প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, প্ৰয়াগৰাজৰ মহাকুম্ভত বৰ্তমানলৈকে ৫৮ কোটিৰো অধিক লোকে পবিত্ৰ স্নান কৰিছে। ১৩ জানুৱাৰীৰ পৰা অনুষ্ঠিত হোৱা কুম্ভমেলাৰ ২৬ ফেব্ৰুৱাৰীত সামৰণি পৰিব।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰিবলগীয়া দৃষ্টিপাতত **টেলিভিছনৰ ধাৰাবাহিকৰ একাংশ অভিনেতা-অভিনেত্ৰী, পৰিচালক আৰু কলা-কুশলীৰ সৈতে মত বিনিময়ৰ** এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস পালন কৰা হয়। ভাষিক-সাংস্কৃতিক বৈচিত্ৰ্য আৰু বহুভাষাবাদৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতি বছৰে এই দিৱস পালন কৰি অহা হৈছে। নগাঁও জিলা সাহিত্য সভাৰ উদ্যোগত আজি নৱৰূপ জাতীয় বিদ্যাপীঠৰ প্ৰেক্ষাগৃহত আয়োজিত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱসত বিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে **চিৰ চেনেহী মোৰ ভাষা জননী** শীৰ্ষক গীতটি পৰিৱেশন কৰে। সভাত নগাঁও মহাবিদ্যায়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ শৰৎ বৰকটকীয়ে তেওঁৰ ভাষণত কয়, যে অধিক চৰ্চা আৰু কথিত ৰূপেহে ভাষাটোক অধিকৰ সমৃদ্ধিশালী কৰিব পাৰে।

গোৱালপাৰা জিলাৰ ভালুকদুবীৰ নৱজ্যোতি আদৰ্শ জাতীয় বিদ্যালয়ত আজি নতুন সাহিত্য পৰিষদ গোৱালপাৰা জিলা সমিতিৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱস পালন কৰা হয়। এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকণ, নৃত্য-গীত, স্বৰচিত কবিতা পাঠ আদিৰ উপৰি **আন্তঃৰাষ্ট্ৰীয় মাতৃভাষা দিৱসৰ তাৎপৰ্য আৰু জনগোষ্ঠীয় ভাষাৰ সংকট** শীৰ্ষক এখনি আলোচনা চক্ৰৰ আয়োজন কৰা হয়।

গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া আৰু বাংলা বিভাগৰ উদ্যোগত আয়োজন কৰা এই দিৱসৰ কাৰ্যসূচী আজি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ প্ৰাণজিৎ কুমাৰ নাথে উদ্বোধন কৰে। এই কাৰ্যসূচীত অসমীয়া ভাষাৰ মাধুৰ্য্য আৰু জাতীয় জীৱনৰ পৰম্পৰাত ভাষাৰ ঐতিহাসিক গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰা হয়। এই সভাতে বিভিন্ন সাহিত্যিক প্ৰতিযোগিতাত স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ পুৰস্কৃত কৰা হয়। শ্ৰীভূমিৰ পি এম শ্ৰী কেন্দ্ৰীয় বিদ্যালয়ত এই দিৱস উপলক্ষে আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়।

০০০০

চৰাইদেউ জিলাৰ আয়ুক্ত ডাঃ নেহা যাদৱৰ অধ্যক্ষতাত আজি বিনিয়োগ আন্তগাথনি শীৰ্ষ সন্মিলন এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ অধীনৰ সংশ্লিষ্ট বিভাগসমূহৰ লগতে জিলাখনৰ আগ্ৰহী বিনিয়োগকাৰীসকলৰ এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত আয়ুক্তগৰাকীক বিভাগীয় বিষয়াসকলে নিজ নিজ বিভাগৰ অন্তৰ্গত বিভিন্ন ঔদ্যোগিক খণ্ডৰ সৈতে জড়িত বিনিয়োগকাৰীসকলৰ প্ৰতিবেদনৰ বিষয়ে বিতংভাৱে অৱগত কৰে। এই সংক্ৰান্তত বৰ্তমানলৈকে ৬৯ খন প্ৰতিবেদন লাভ কৰা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে অৱগত কৰে। অহা ২৫ ফেব্ৰুৱাৰীত বিনিয়োগকাৰীসকলৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হ'ব বুলিও তেওঁ জনায়। জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সাধাৰণ প্ৰবন্ধকে অসম চৰকাৰক প্ৰতিনিধিত্ব কৰিব আৰু বিনিয়োগৰাকীসকলৰ সৈতে তেওঁ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব। ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগৰ ক্ষেত্ৰত বেংকৰ পৰা ঋণ লাভ কৰা ক্ষেত্ৰত জ্যেষ্ঠ বেংক বিষয়াই সহযোগিতা আগবঢ়াব বুলিও বৈঠকত জনোৱা হয়। এই বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত,

সহকাৰী আয়ুক্ত, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সাধাৰণ প্ৰবন্ধক, জ্যেষ্ঠ বেংক বিষয়া প্ৰমুখ্যে সংশ্লিষ্ট চৰকাৰী বিভাগসমূহৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

০০০০

গোৱালপাৰা জিলাৰ প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ ঐতিহাসিক উৰপদ বিলত অন্যতম আকৰ্ষণীয় পৰ্যটনথলী হিচাপে গঢ়ি তোলাৰ বাবে জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ অংশ হিচাপে লোক নিৰ্মাণ বিভাগে ১৮ কোটি টকা ব্যয় সাপেক্ষে বিলখনৰ চাৰিওফালে মথাউৰি নিৰ্মাণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে যাতে পৰ্যটকসকলে বিলখনৰ চাৰিওকাষে ঘুৰি ইয়াৰ সৌন্দৰ্য উপভোগ কৰিব পাৰে। বিলখনৰ প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষা, জীৱকূলৰ সুৰক্ষা, স্বচ্ছতা আদি দিশৰ প্ৰতি লক্ষ্য ৰাখি গোৱালপাৰা জিলা প্ৰশাসনে ইতিমধ্যে সেই অঞ্চলটো প্লাষ্টিক নিষিদ্ধ এলেকা হিচাপে ঘোষণা কৰিছে। স্বচ্ছতা অভিযানৰ অংশ হিচাপে আজি জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ সহযোগত বিলৰ চাৰিওকাষে এটা চাফাই অভিযান চলায়। গোৱালপাৰা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মৃগাংক চৌধুৰীয়ে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। প্ৰায় ৩ হেজাৰ ৫০০ বিঘা আয়তনৰ বিলখনক অধিক আকৰ্ষণীয় কৰাৰ বাবে জিলা প্ৰশাসনে আন কেতবোৰ আঁচনি গ্ৰহণ কৰিছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

মৰিগাওঁ জিলা কৃষি বিজ্ঞান কেন্দ্ৰত অনুষ্ঠিত উদ্যানশস্যৰ নাৰ্ছাৰী ব্যৱস্থাপনা আৰু মৌমাখিৰ বৈজ্ঞানিক পালন শীৰ্ষক প্ৰশিক্ষণৰ আজি সামৰণি পৰে। মৰিগাওঁ জিলা কৃষি বিজ্ঞান কেন্দ্ৰত ১৭ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হোৱা এই প্ৰশিক্ষণ কাৰ্যসূচীত জিলাখনৰ কেইবাগৰাকীও উদ্যমী কৃষকে অংশগ্ৰহণ কৰে। জিলা কৃষি বিজ্ঞান কেন্দ্ৰৰ বিষয়বস্তু বিশেষজ্ঞ নৱদীপ শইকীয়াই পৰিচালনা কৰা এই প্ৰশিক্ষণ কাৰ্যসূচীত কেইবাগৰাকীও কৃষি বিজ্ঞানীয়ে অংশ লয়। প্ৰশিক্ষণৰ অংশ হিচাপে মৌপালকসকলক ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাবে সদৌ অসম মৌ পালক সন্থাৰ যুটীয়া সম্পাদক অৰুণ মিত্ৰৰ মৌ মাখি ফাৰ্মত প্ৰশিক্ষণ দিয়া হয়।

০০০০

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ উপাধ্যক্ষ পদৰ বাবে চিনঠং সমষ্টিৰ এম এ চি অভিজিত ক্ৰ'য়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। বিধায়িনী দপ্তৰৰ যুটীয়া সচিবৰ হাতত মনোনয়ন দাখিল কৰাৰ সময়ত তেওঁৰ সৈতে স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাম, সাংসদ অমৰ সিং টিছো, কেইবাগৰাকী কাৰ্যবাহী সদস্য আৰু এম এ চি উপস্থিত থাকে। অহা ২৪ ফেব্ৰুৱাৰীত পৰিষদৰ চেছন হলত উপাধ্যক্ষ পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। বিগত বৰ্ষৰ অক্টোবৰ মাহত উপাধ্যক্ষ অজিত কুমাৰ দে'ৰ মৃত্যু হোৱাৰ পৰিপ্ৰেক্ষিতত এই পদটো খালী হৈ আছিল।

০০০০

ভাৰত চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়, অসম পৰ্যটন বিভাগ আৰু চৰাইদেউ জিলা প্ৰশাসনৰ সহযোগত চৰাইদেউ মৈদাম ক্ষেত্ৰত পৰহিলৈ **চৰাইদেউ মৈদাম হেৰিটেজ ৰান ছাফাৰী** শীৰ্ষক মাৰাথন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। পৰ্যটন ক্ষেত্ৰসমূহৰ প্ৰচাৰ তথা মাদকদ্ৰব্যৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ উদ্দেশ্যে আয়োজন কৰা এই প্ৰতিযোগিতা ২১ কিলোমিটাৰ, ১০ কিলোমিটাৰ আৰু ৫ কিলোমিটাৰ শাখাত অনুষ্ঠিত হ'ব। আগ্ৰহী প্ৰতিযোগীসকলে ৭৯৮০৯ ২৭৩২৯ নম্বৰত ফোন কৰি এই প্ৰতিযোগিতাত যোগদানৰ সবিশেষ জানিব পাৰিব।

০০০০

লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত আজি দিনজোৰা কাৰ্যসূচীৰে লখিমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ কৰ্মচাৰী সন্থাৰ প্ৰথম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱাৰ ভাগত সন্থাৰ পতাকা উত্তোলন কৰাৰ পাছত ৰক্তদান শিবিৰ অনুষ্ঠিত কৰা হয়। এই শিবিৰত চিকিৎসা মহাবিদ্যালয়খনৰ ভালেমান কৰ্মচাৰীয়ে ৰক্তদান কৰে।

০০০০

আই  চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গ্ৰুপ বিৰ এখন খেলত দক্ষিণ আফ্ৰিকাই-আফগানিস্তানক জয়ৰ বাবে ৩১৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। পাকিস্তানৰ কৰাচীৰ নেচনেল ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত দক্ষিণ আফ্ৰিকাই টছত জিকি প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৬ টা উইকেটৰ বিনিময়ত ৩১৫ ৰাণ সংগ্ৰহ কৰে।

আমাৰ এই বাতৰি যুগুতোৱাৰ পৰলৈকে আফগানিস্তানে বেটিং কৰি এক অভাৰত ৩ ৰাণ সংগ্ৰহ কৰিছে।

০০০০০

অষ্ট্ৰেলিয়াৰ চিডনীত অনুষ্ঠিত অক্টেন চিডনী ক্লাছিক পি এছ  এ চেলেঞ্জাৰ স্কোৱাচ প্ৰতিযোগিতাৰ পুৰুষৰ একক শাখাত ভাৰতৰ সৌৰভ ঘোষাল আজি চেমিফাইনেলত প্ৰৱেশ কৰিছে। সৌৰভে দক্ষিণ কোৰিয়াৰ মিনৌ লীক ১১-৬, ১১-৬ আৰু ১১-৫ পোনপটীয়া ছেটত পৰাস্ত কৰে। চেমিফাইনেলত ঘোষালে তৃতীয় বাচনিৰ অষ্ট্ৰেলিয়াৰ ৰিছ দৌলিঙৰ মুখামুখি হ'ব।

০০০০০

তিনিচুকীয়া জিলা আৰক্ষীয়ে আজি মাকুমত অভিযান চলাই এখন বাহনত থকা নিচাযুক্ত দ্ৰব্যসহ এটা সৰবৰাহকাৰীক আটক কৰে। তিনিচুকীয়াৰ বৰগুৰিৰ মিছিং গাঁৱৰ পৱিত্ৰ মৰাণ বুলি চিনাক্ত কৰা সৰবৰাহকাৰীটোৰ বাসগৃহৰ পৰা পাছত ১০ লাখৰো অধিক টকা জব্দ কৰা হয়। তেওঁৰ বাসগৃহত চলোৱা অভিযানকালত আৰক্ষীয়ে ভালেমান সোণৰ গহনাপাতিও জব্দ কৰিছে।

০০০০০

হাফলঙৰ লোকপ্ৰীয় গোপীনাথ বৰদলৈ অসমীয়া নিম্ন প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী যোগমায়া সিঙৰ আজি বাৰ্ধক্যজনিত কাৰণত নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৮ বছৰ। শ্ৰীমতী সিঙে অঞ্চলটোৰ অগণন অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভমিকা পালন কৰিছিল। শিক্ষয়িত্ৰীগৰাকীৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

০০০০

সমাপ্ত